# Signing of Concession Agreement for 600 MW Kholongchhu Hydroelectric Project in Bhutan

June 29, 2020

# ভূটানত 600 মেগাৱাট ক্ষমতাসম্পন্ন খোলাংছু জলবিদ্যুত প্ৰকল্পৰ কাৰণে সমনুদান চুক্তি স্বাক্ষৰ

জুন 29, 2020

ভূটানৰ ৰাজকীয় চৰকাৰ আৰু খোলাংছু হাইড্ৰ এনাৰ্জী লিমিটেডৰ মাজত 29 জুন 2020 তাৰিখে থিমফুত ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু ভূটানৰ ৰাজকীয় চৰকাৰৰ বিদেশ মন্ত্ৰী লিয়নপৌ ড০ টাণ্ডী ডৰ্জীৰ ভাৰ্চুৱেল উপস্থিতিত 600 মেগাৱাট খোলাংছু (যুটীয়া উদ্যোগ)হাইড্ৰইলেক্ট্ৰিক প্ৰকল্পৰ কাৰণে সমনুদান চুক্তি স্বাক্ষৰিত হয়। ভিডিঅ কনফাৰেন্সৰ মাধ্যমেৰে অনুষ্ঠিত এই চুক্তি স্বাক্ষৰ অনুষ্ঠানত ভূটানৰ ৰাজকীয় চৰকাৰৰ অৰ্থনৈতিক পৰিক্ৰমাৰ মন্ত্ৰী লিয়নপৌ লোকনাথ শৰ্মা আৰু ভাৰত আৰু ভূটানৰ বৈদেশিক সচিব, সচিব (শক্তি), ভাৰত চৰকাৰ, ভূটানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত আৰু ভাৰতত থকা ভূটানৰ ৰাষ্ট্ৰদূত সহ জ্যেষ্ঠ চৰকাৰী বিষয়াসকল উপস্থিতি আছিল।

2. 600 মেগাৱাটৰ ৰান-অফ-দা-ৰিভাৰ প্ৰকল্পটো পূব ভূটানৰ ট্ৰিছিয়াংছে জিলাৰ খলংছু নদীৰ তলৰ ফালে অৱস্থিত। এই প্ৰকল্পৰ অধীনত চাৰিটা 150 মেগাৱাটৰ মাটিৰ তলৰ টাৰ্বাইনযুক্ত পাৱাৰহাউছ স্থাপিত কৰা হব আৰু 95 মিটাৰ উচ্চতাৰ বান্ধৰ পৰা পানী বাজেয়াপ্ত কৰা হব। ভূটানৰ ড্ৰুক গ্ৰীণ পাৱাৰ কৰ্পোৰেশ্বন (DGPC) আৰু ভাৰতৰ চাতলুজজল বিদ্যুত নিগম লিমিটেড (SJVNL)ৰ যুটীয়া উদ্যোগৰ কোম্পানী খোলাংছু হাইড্ৰ এনাৰ্জি লিমিটেডৰ দ্বাৰা বাস্তৱায়িত কৰা হয়। এই সমনুদান চুক্তি স্বাক্ষৰৰ ফলত ভাৰত আৰু ভূটানৰ মাজত প্ৰথমবাৰৰ বাবে যুটীয়া উদ্যোগৰ হাইড্ৰইলেকট্ৰিক প্ৰকল্পৰ নিৰ্মাণ আৰু অন্যান্য কাম-কাজ আৰম্ভ হব। এই প্ৰকল্পৰ কাম 2025 বৰ্ষৰ দ্বিতীয়াৰ্ধত সম্পূৰ্ণ হব।

3. ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু ভূটানৰ বিদেশ মন্ত্ৰী দুয়োগৰাকীয়ে পৰস্পৰ উপকাৰী দ্বিপাক্ষিক অৰ্থনৈতিক সহযোগিতাৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে জলবিদ্যুত বিকাশৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে। তেওঁলোকে বিশ্বাস, সহযোগিতা আৰু পৰস্পৰৰ প্ৰতি সন্মানৰ কথা সুঁৱৰি দীৰ্ঘকাল ধৰি অনন্য আৰু বিশেষ বন্ধুত্বক চিহ্নিত কৰিছে, যি পাৰস্পৰিক বুজাবুজিত বিশ্বস্ত আৰু বাৰত আৰু ভূটানৰ মাজত সাংস্কৃতিক ঐতিহ্যগত নিবিড় যোগসূত্ৰ আৰু মানুহৰ সৈতে মানুহৰ শক্তিশালী সম্পৰ্কৰ দ্বাৰা প্ৰৱলিত।

4. জলবিদ্যুত ক্ষেত্ৰখন ভাৰত-ভূটানৰ দ্বিপাক্ষিক সহযোগিতাৰ প্ৰধান ক্ষেত্ৰ। ভাৰত আৰু ভূটানৰ মাননীয় প্ৰধানমন্ত্ৰীৰ দ্বাৰা আগষ্ট 2019ত 720 মেগাৱাটৰ মাংগদেছু জলবিদ্যুত প্ৰকল্পৰ যুটীয়াভাৱে

উদ্বোধন কৰিছিল। ইয়াৰ লগতে, দ্বিপাক্ষিক সহযোগিতাৰ মুঠ 2100 মেগাৱাট ক্ষমতাসম্পন্ন চাৰিটা (04) জলবিদ্যুত প্ৰকল্প (336 মেগাৱাট চুখা জলবিদ্যুত প্ৰকল্প, 60 মেগাৱাটৰ কুৰিছু জলবিদ্যুত প্ৰকল্প, 1020 মেগাৱাটৰ তালা জলবিদ্যুত প্ৰকল্প আৰু 720 মেগাৱাটৰ মাংগডেছু জলবিদ্যুত প্ৰকল্প) ভূটানত ইতিমধ্যে চালু হৈ আছে।

**নতুন দিল্লী**
**জুন 29, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.